No. of Printed Pages : 4 **FAS-01**

# BDP

## Term-End Examination

## Dec., 2021

### FGT-01 : FOUNDATION COURSE IN ASSAMESE

*Time : 2 Hours* *Maximum Marks: 50*

প্ৰিন্ট কৰা পৃষ্ঠাৰ সংখ্যা : 4 **FAS-01**

## বি.ডি.পি.

## শেষান্ত পৰীক্ষা

## ডিচেম্বৰ. 2021

## FAS-01: ফাউণ্ডেছন কোৰ্ছ অসমীয়া

*সময় : 2 ঘন্টা* *সৰ্বাধিক নম্বৰ : 50*

*টোকা :* প্ৰশ্নবোৰ পঢ়ি উত্তৰ দিয়ক।

### ক শাখা

1. তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পৰ নিৰ্ণয় (✓) কৰক: 5 x 1 = 5

   (a) বৈষ্ণৱ সাহিত্য সৃষ্টিৰ দুৱাৰ মুকলি কৰে

      (i) মাধৱ কন্দলিয়ে

      (ii) মাধৱদেৱে



      (iii) শঙ্কৰদেৱে

   (b) সময়ক কিহৰ লগত তুলনা কৰা হৈছে ?

      (i) যন্ত্ৰৰ লগত

      (ii) চকৰিৰ লগত

      (iii) গতিৰ লগত

   (c) অৰুণোদয় কাকত প্ৰকাশ হয়

      (i) ১৮২৬ চনত

      (ii) ১৮৪৬ চনত

      (iii) ১৮৮৯ চনত

   (d) কোন ভাষা অতিশয় চহকী আছিল ?

      (i) প্ৰাকৃত

      (ii) সৌৰসেনী

      (iii) সংস্কৃত

   (e) গণতন্ত্ৰৰ মূল চালিকা শক্তি হৈছে

      (i) নাগৰিকসকল

      (ii) প্ৰশাসক সকল

      (iii) ন্যায়পালিকা সকল

2. সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক : 5 x 1 = 5

   (a) ব্ৰজবুলি কি ? কোনে ইয়াৰ ব্যৱহাৰ আৰম্ভ কৰে ?

   (b) কম্পিউটাৰৰ কোনটো অংশক মগজুৰ লগত তুলনা কৰিব পাৰি ?

(c) ঋক বৈদিক যুগত আৰ্যসকল কিহৰ উপাসক আছিল ?

(d) বৌদ্ধ দৰ্শনৰ মূল প্ৰাপ্তি কি ?

(e) এৰিষ্টটলে নাগৰিকৰ সংজ্ঞা কি দিছিল ?

3. ভাগৱতৰ পঠিত অংশৰ ওপৰত ভিত্তি কৰি উষাৰ সপোনৰ মনোদশা আৰু চিত্ৰলেখাৰ ভূমিকাৰ বিষয়ে চমুৱাই লিখক। 5

অথবা

ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ ভূমিকা কি আছিল ?

4. সংক্ষেপে যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক : $5 \times 2 = 10$

(a) প্ৰাক্-বৈষ্ণৱ যুগৰ প্ৰসিদ্ধ কবিসকল কোন কোন ?

(b) ইন্দিৰা গান্ধীয়ে প্ৰধান মন্ত্ৰী হৈয়েই লোৱা তিনিটা প্ৰধান পদক্ষেপ কি কি ?

(c) বৰপেটাৰ দৌলোৎসৱ আৰু বৃন্দাবনৰ হোলীৰ মাজত কিবা মিল আছেনে ?

(d) মোগল ভাস্কৰ্য স্থাপত্যৰ নিদৰ্শন কি কি ?

(e) হোমৰুল আন্দোলনৰ গুৰিবঠা কোনে ধৰিছিল আৰু ইয়াত কোনে সাহায্য কৰিছিল ?

(f) অসমৰ সম্প্ৰীতিৰ কাৰণে মহাত্মা গান্ধীৰ ভূমিকা কেনে আছিল ? তেওঁ সকল হৈছিলনে ?

(g) সুভাষ চন্দ্ৰ বসুৱে আজাদ হিন্দ ফৌজ কিয় গঠন কৰিছিল ?

(h) কেনে ধৰণৰ ৰক্তপাতে সেঞ্চাৰৰ পূৰ্বজাননী দিয়ে ?

(i) অসমৰ শিখসকল পূৰ্বতে কৰ মানুহ আছিল ?



**খ শাখা**

5. নামক্ৰিয়া কি ? উদাহৰণ সহ বুজাই লিখক। 5

অথবা

অসমীয়াত নেতিবাচক ক্ৰিয়াপদ কেনেকৈ গঠন কৰা হয় ? উদাহৰণসহ বুজাই লিখক।

6. যিকোনো পাঁচটা খণ্ডবাক্যৰ অৰ্থপূৰ্ণ বাক্যৰচনা কৰক : $5 \times 1 = 5$

ফিচিঙা ফিচিং, আমঠু ক'লা পৰা, টিঘিল ঘিলনি, উৎসৱ-পাৰ্বন, লোকে লোকাৰণ্য, পানীত হাঁহ নচৰা, অজীন পাতকী, পেট ভাটো।

7. কোনো বিশেষ উৎসৱৰ বৰ্ণনা কৰি নিজৰ বন্ধু বা বান্ধৱীলৈ এখন চিঠি লিখক। 5

8. তলৰ যিকোনো এটা বিষয় নিৰ্বাচন কৰি এখন ৰচনা লিখক : 10

(i) কাজিৰঙা অভয়াৰণ্য

(ii) মোৰ প্ৰিয় গ্ৰন্থ